NEWZ NOW

সংখ্যা ২৭ | শুকুৰবাৰ, ২০ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

আন্তঃৰাষ্ট্ৰীয়

ৰোহিংগীয়া গণহত্যাৰ বাবে ম্যানমাৰক দোষী সাব্যস্ত ICJৰ; ক্ষতিপূৰণ আৰু নিৰাপদ প্ৰত্যাৱৰ্তনৰ নিৰ্দেশ

২০১৭ চনৰ সামৰিক অভিযানত গণহত্যা সংঘটিত কৰাৰ দায়ত ম্যানমাৰক দায়ী সাব্যস্ত কৰি ক্ষতিপূৰণ, পুনৰুদ্ধাৰ আৰু নিৰাপদ প্ৰত্যাৱৰ্তনৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে আদালতে।



NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৯

দ্য হেগ, ২০ নৱেম্বৰ: ৰোহিংগীয়া মুছলমানৰ বিৰুদ্ধে ২০১৭ চনত চলোৱা সামৰিক অভিযানৰ সময়ত গণহত্যা সংঘটিত কৰাৰ বাবে ম্যানমাৰক দায়ী সাব্যস্ত কৰিছে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ে। বৃহস্পতিবাৰে ৯-৬ ভোটৰ ব্যৱধানত আদালতে এই ৰায় দিয়ে। আদালতৰ সভাপতি ইউজি ইৱাছাৱাই প্ৰায় তিনি ঘণ্টাজোৰা ৰায়দানত কয় যে, ২০১৭ চনৰ সামৰিক অভিযানৰ সময়ত ম্যানমাৰৰ নিৰাপত্তা বাহিনীয়ে ৰোহিংগীয়া...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4651

অনুসন্ধান

আপোনাৰ পু�ৰাৰ চাহৰ আগতেই সুতত ৩৩ কোটি! প্ৰতি মিনিটত ২.৩৫ লাখ টকা সুত দিয়ে অসমে



প্ৰতিদিনে পুৰা, এখন বিদ্যালয়ৰ দুৱাৰ খোলাৰ আগতে, অসামৰিক চিকিৎসালয়ত এজন ৰোগীকো চিকিৎসা সেৱা আগবঢ়োৱাৰ আগতে, অসম চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা ঋণৰ সুত হিচাপে গড়ে প্ৰায় ৩৩.

পঢ়ক: https://newznow.in/news/4565

দেশ

বিয়াৰ ভোজত মাংসৰ টুকুৰাক লৈ মহাৰণ! দৰা-কইনা পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট



বুলন্দচহৰ, ২০ নৱেম্বৰ:
এখন বিবাহ অনুষ্ঠানত খাদ্য পৰিৱেশনত ভোজত মাংসৰ টুকুৰাক কেন্দ্ৰ কৰি দৰা আৰু কইনা পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট।

পঢ়ক: https://newznow.in/news/4658

অসম

বেজৰ নাকতে খৰ! শিৱসাগৰত নথিৰ ম্যাদ উকলা আৰক্ষী-দণ্ডাধীশৰ বাহন; সদৰ থানাত অধিবক্তাৰ গোচৰ



শিৱসাগৰ, ২০ নৱেম্বৰ: ম্যাদ উকলা নথিপত্ৰেৰে আৰক্ষী আৰু কাৰ্যবাহী দণ্ডাধীশে ব্যৱহাৰ কৰা চাৰিখন চৰকাৰী বাহন চলি থকাৰ অভিযোগ উত্থাপন হৈছে।

পঢ়ক: https://newznow.in/news/4671

অসম

টাই ম'ৰ সুকীয়া পৰিচয়ৰ দাবীক সমৰ্থন নকৰো: মহন-দেওধাই-বাইলুং সন্মিলন



শিৱসাগৰ: মৰাণৰ জজলিত অনুষ্ঠিত এক অভিৱৰ্তনত টাই ম' নামে সুকীয়া জনগোষ্ঠী গঠন আৰু জনজাতিকৰণৰ দাবীত প্ৰস্তাৱ গ্ৰহণৰ ঘটনাৰ সৈতে মহন-দেওধাই-বাইলুং সন্মিলন কোনো ধৰণে জড়িত নহয় বুলি স্পষ্ট কৰিছে স...

পঢ়ক: https://newznow.in/news/4667

ভিতৰৰ পাততে

অসম: স্নাতকোত্তৰ প্ৰশিক্ষাৰ্থী চিকিৎসকক...

অসম: চানডুবি উৎসৱৰ লাইখুঁটা স্থাপন কামৰ...

ক্ৰীড়া: প্ৰাক্তন স্বামীৰ মানহানিৰ গোচৰত মে...

অসম: বেংগালুৰুত ২২ দিন ধৰি সন্ধানহীন হা...

অসম

স্নাতকোত্তৰ প্ৰশিক্ষার্থী চিকিৎসকক বিবাহ পিছুৱাবলৈ কোৱা এএমচিএইচৰ পৰামৰ্শ প্ৰত্যাহাৰ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০০



ডিব্ৰুগড়, ১৯ নৱেম্বৰ: অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চিকিৎসা বিভাগে স্নাতকোত্তৰ প্ৰশিক্ষার্থী চিকিৎসকসকলক আবাসিক প্ৰশিক্ষণৰ সময়সীমা সম্পূৰ্ণ নোহোৱালৈকে বিবাহৰ দৰে ব্যক্তিগত জীৱনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত পিছুৱাই ৰাখিবলৈ দিয়া পৰামৰ্শ প্ৰত্যাহাৰ কৰিছে। ১৮ নৱেম্বৰত জাৰি কৰা এই পৰামৰ্শক লৈ শিক্ষার্থী, কনিষ্ঠ চিকিৎসক আৰু চিকিৎসক সংগঠনৰ তীব্ৰ আপত্তি উঠাৰ কেইঘণ্টামানৰ ভিতৰতে বিভাগীয় মুৰব্বী ডাঃ প্ৰশান্ত দিহিঙীয়াই নতুন জাননী জাৰি কৰি পূৰ্বৰ নিৰ্দেশনাখন তাৎক্ষণিকভাৱে প্ৰত্যাহাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4615

অসম

চানডুবি উৎসৱৰ লাইখুঁটা স্থাপন কামৰূপ জিলা আয়ুক্তৰ

NewzNow জিলা ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৫



কামৰূপ, ২০ নৱেম্বৰ: দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তৰ প্ৰাকৃতিকভাৱে চহকী ঐতিহাসিক চানডুবি বিলৰ পাৰত আজি আনুষ্ঠানিকভাৱে সপ্তদশ বাৰ্ষিক চানডুবি উৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4717

ক্ৰীড়া

প্ৰাক্তন স্বামীৰ মানহানিৰ গোচৰত মেৰী কমলৈ আদালতৰ জাননী

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৭



নতুন দিল্লী: অলিম্পিক পদক বিজয়ী প্ৰখ্যাত বক্সাৰ মেৰী কমৰ বিৰুদ্ধে দাখিল হোৱা অপৰাধমূলক মানহানিৰ এক গোচৰত দিল্লীৰ ছাকেত আদালতে জাননী জাৰি কৰিছে। মেৰী কমৰ প্ৰাক্তন স্বামী কেৰং অনলাৰে দাখিল কৰা এই গোচৰটোৰ পৰৱৰ্তী শুনানি অহা ২১ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

শুকুৰবাৰে আদালতত কেৰং অনলাৰ আৰু আন কেইবাগৰাকীও সাক্ষীয়ে নিজৰ বক্তব্য লিপিবদ্ধ কৰে। টেলিভিছন অনুষ্ঠান আৰু বিভিন্ন ৰাজহুৱা মঞ্চত মেৰী কমে অপমানজনক মন্তব্য কৰি তেওঁৰ ভাবমূৰ্তি ক্ষুণ্ণ কৰা বুলি অনলাৰে অভিযোগ তুলিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4730

ৰাজনীতি

'নামটো ছিৰাজ, সেয়াই জানো যথেষ্ট নহয়?' মহম্মদ ছিৰাজক দলত স্থান নিদিয়াক লৈ কংগ্ৰেছ-বিজেপিৰ ৰাজনৈতিক বাকযুদ্ধ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৯



ৱেলিংটনত নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট মেচৰ বাবে ভাৰতীয় দলৰ প্ৰথম একাদশত তাৰকা পেচ বলাৰ মহম্মদ ছিৰাজক স্থান নিদিয়াক লৈ কংগ্ৰেছ আৰু বিজেপিৰ মাজত ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4693

অসম

বেংগালুৰুত ২২ দিন ধৰি সন্ধানহীন হাউলীৰ গৱেষক ছাত্ৰ নন্দলাল ঘোষ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



বেংগালুৰু, ২০ নৱেম্বৰ:

২২ দিন ধৰি বাংগালুৰুত নিখোজ হাউলীৰ নন্দলাল ঘোষ। বাংগালুৰুৰ Indian Institute of Astrophysicsৰ পৰা নিৰুদ্দেশ নন্দলাল।

বৰপেটা জিলাৰ হাউলীৰ গৱেষক ছাত্ৰ নন্দলাল ঘোষ যোৱা ২৯ অক্টোবৰৰ পৰা বেংগালুৰুত সন্ধানহীন হৈ আছে। ২২ দিন ধৰি তেওঁৰ কোনো সন্ধান নোপোৱাত পৰিয়ালে ৰাইজৰ সহায় বিচাৰিছে।

নন্দলাল ঘোষ বেংগালুৰুৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ এষ্ট্ৰ'ফিজিক্স আৰু ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সৰ সৈতে জড়িত জ্যোতিৰ্বিজ্ঞানৰ গৱেষক ছাত্ৰ আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4659

দেশ

দিল্লীত AAP যুৱ মৰ্চাৰ জিলা সভাপতিৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ গুলীচালনা

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, পুৱা ১১:৪২



নতুন দিল্লী: ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ শ্বাহদৰাত আম আদমী পাৰ্টী চমুকৈ আপৰ যুৱ মৰ্চাৰ এজন নেতাৰ কাৰ্যালয়ত গুলীচালনাৰ এক ঘটনা সংঘটিত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4573

দেশ

২০২৭ চনৰ আৰম্ভণিতে ইৰাণত আক্ৰমণৰ সিদ্ধান্ত ল'ব ট্ৰাম্পে!

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৪



২০ নৱেম্বৰ:

'নতুন বছৰৰ পিছতহে ইৰাণত পৰৱৰ্তী আক্ৰমণৰ সিদ্ধান্ত ল'ম' ।ইৰাণক লৈ কোনো খৰখেদা সিদ্ধান্ত ল'ব বিচৰা নাই - ড'নাল্ড ট্ৰাম্প।

ইৰাণৰ বিৰুদ্ধে পুনৰ সামৰিক আক্ৰমণ চলোৱাৰ সিদ্ধান্ত ২০২৭ চনৰ আৰম্ভণিৰ পিছতহে ল'ব বুলি জনাইছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে।

১৯ নৱেম্বৰত চীন ভ্ৰমণ সামৰি আমেৰিকালৈ উভতি অহাৰ পথত এয়াৰ ফ'র্চ ৱানত সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপৰ সময়ত ট্ৰাম্পে কয় যে, ইৰাণ সন্দৰ্ভত কোনো সিদ্ধান্ত ল'বলৈ তেওঁৰ খৰখেদা নাই। নতুন বছৰৰ আৰম্ভণিৰ পিছত পৰিস্থিতি চাই সিদ্ধান্ত ল'ব বুলি তেওঁ উল্লেখ কৰে।

ইৰাণৰ পাৰমাণৱিক কেন্দ্ৰ, দলং, বিদ্যুৎ কেন্দ্ৰ আৰু সামৰিক ঘাটিক লক্ষ্য কৰি আক্ৰমণৰ বিকল্প বিবেচনা আমেৰিকাৰ।

ইৰাণৰ পাৰমাণৱিক আৰু সামৰিক ঘাটিত পুনৰ আক্ৰমণ চলোৱাৰ বাবে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে আমেৰিকাৰ ওপৰত হেঁচা দি অহাৰ সময়তে ট্ৰাম্পৰ এই মন্তব্য প্ৰকাশ পাইছে।

ইজৰাইলৰ চো�ৰাংচোৱা সংস্থা মোছাদৰ মুৰব্বী ৰোমান গফমেনে শেহতীয়াকৈ ৱাশ্বিংটন ভ্ৰমণ কৰি আমেৰিকাৰ কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ সঞ্চালকৰ সৈতে আলোচনা কৰিছিল বুলি জানিব পৰা গৈছে।

বৰ্তমান আমেৰিকাই ইৰাণৰ বিৰুদ্ধে নৌ-অৱৰোধ আৰু কঠোৰ অৰ্থনৈতিক নিষেধাজ্ঞা অব্যাহত ৰাখিছে। ট্ৰাম্পৰ একাংশ উপদেষ্টা আৰু উপসাগৰীয় দেশসমূহে সামৰিক আক্ৰমণৰ পৰিৱৰ্তে এই অৰ্থনৈতিক হেঁচা অব্যাহত ৰখাৰ পৰামৰ্শ দিছে বুলি প্ৰকাশ পাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4619

দেশ

হৰমুজ প্ৰণালীৰ পশ্চিমত ৯খন ভাৰতীয় স্বাৰ্থসম্পৃক্ত জাহাজৰ নিৰাপত্তা পৰ্যালোচনা সোণোৱালৰ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫০



নতুন দিল্লী: বিশ্বৰ বিভিন্ন প্ৰান্তত বাণিজ্যিক জাহাজৰ ওপৰত সংঘটিত পুনৰাবৃত্ত আক্ৰমণক বৃহস্পতিবাৰে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বিশেষকৈ ভাৰতীয় নাবিক জড়িত জাহাজৰ ওপৰত হোৱা আক্ৰমণক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁ হৰমুজ প্ৰণালীৰ পশ্চিমে থকা ৯খন ভাৰতীয় পতাকাবাহী অথবা ভাৰতীয় স্বাৰ্থসম্পৃক্ত জাহাজৰ সুৰক্ষা-পৰিস্থিতি পৰ্যালোচনা কৰে।

সাগৰীয় নিৰাপত্তা অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে উচ্চ-বিপদাপন্ন অঞ্চলসমূহত অধিক কটকটীয়া নজৰদাৰী, সময়মতে সুৰক্ষা-সতৰ্কবাণী জাৰি আৰু জাহাজ পৰিচালনা কৰা প্ৰতিষ্ঠানসমূহৰ সৈতে নিয়মীয়া যোগাযোগ বজাই ৰাখিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে। কোনো ঘটনাত ভাৰতীয় পতাকাবাহী জাহাজ অথবা ভাৰতীয় নাবিক জড়িত হ'লে তৎক্ষণাৎ সহায় আৰু ফলপ্ৰসূ সঁহাৰি নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।


পৰিস্থিতি পৰ্যালোচনাৰ সময়ত সোণোৱালে কয় যে, বাণিজ্যিক জাহাজৰ ওপৰত সংঘটিত এনে আক্ৰমণে নাবিকসকলৰ জীৱন আৰু সুৰক্ষাৰ প্ৰতি গুৰুতৰ ভাবুকি কঢ়িয়াই আনে। এনে ঘটনাই সাগৰীয় বাণিজ্য ব্যাহত কৰাৰ লগতে বিশ্বজোৰা যোগান শৃংখলৰ স্থিৰতাও দুৰ্বল কৰি তোলে বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰালয়ে পাৰস্য উপসাগৰত হৰমুজ প্ৰণালীৰ পশ্চিমে থকা জাহাজসমূহৰ লগতে প্ৰণালীৰ পূবে অৱস্থিত ওমান উপসাগৰৰ জাহাজসমূহো ই-নাবিক নাবিক-নিৰীক্ষণ ব্যৱস্থাৰ অধীনত ৰাখিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4623

দেশ

ৰায়বেৰেলী ঘাইপথত দুৰ্ঘটনা, ২০ বছৰীয়া যুৱতীৰ মৃত্যু

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৩



লক্ষ্ণৌ: ৰায়বেৰেলী ঘাইপথৰ হৰিকংশগড়ীত বৃহস্পতিবাৰে গভীৰ নিশা সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাত ২০ বছৰীয়া সমীক্ষাৰ মৃত্যু হৈছে। ঘটনাটোত আন চাৰিজন লোক আহত হৈছে।

হৰিকংশগড়ীস্থিত আল্ট্ৰাটেক গিট্টি প্লাণ্টৰ সন্মুখত এই দুৰ্ঘটনা সংঘটিত হয়।

প্লাণ্টটোৰ পৰা ওলাই আহি থকা এখন ডাম্পাৰত পিছফালৰ পৰা এখন গাড়ী সোমাই পৰে। সেই সময়তে পিছফালৰ পৰা অহা এখন ট্ৰাকেও গাড়ীখনত খুন্দা মাৰে।

দুয়োখন গধুৰ বাহনৰ মাজত গাড়ীখন চেপা খাই ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হয়। আহতসকলৰ বিষয়ে আন কোনো তথ্য প্ৰকাশ পোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4624

অসম

ডিগবৈৰ ৰাজপথত গৰাকীবিহিন চাৰিটা ঘোঁৰা। আটাইকেইটা ঘোঁৰা গুৰুতৰভাৱে আঘাত প্ৰাপ্ত

বিজয় সূত্ৰধৰ | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫০



যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনীহা প্ৰকাশ ডিগবৈ বন বিভাগৰ।

তৈলনগৰী ডিগবৈ চহৰলৈ সোমোৱাৰ পূৰ্বে আদৰণি গেটৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত বিগত কিছুদিন ধৰি চাৰিটাকৈ সুঠাম ঘোঁৰা পৰিলক্ষিত হৈছে। ঘোঁৰা কেইটা ঘৰচীয়া নে বনৰীয়া বুজিব পৰা নাযায় যদিও ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত বিপদসংকুল পৰিবেশত চৰি ফুৰা দেখা যায়। ঘোঁৰা কেইটা ৰামনগৰ আৰু বগাপানী বজাৰৰ মাজৰ পথছোৱাত সঘনাই পৰিলক্ষিত হয়। এইক্ষেত্ৰত ডিগবৈ বন সংমণ্ডল, প্ৰকৃতিপ্ৰেমী সকলৰ চকুত নপৰা বিষয়টো লক্ষণীয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4638

আন্তঃৰাষ্ট্ৰীয়

দিল্লীত উপস্থিত পাকিস্তানৰ মন্ত্ৰী মুছাদ্দিক মালিক, নাপালে তাজমহল ভ্ৰমণৰ অনুমতি

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৮



নতুন দিল্লী: ছাংহাই ক'অপাৰেচন অৰ্গেনাইজেচন চমুকৈ এছচিঅ'ৰ প্ৰথমখন 'চিভিলাইজেচনেল ডায়লগ ফ'ৰাম'ত অংশগ্ৰহণৰ উদ্দেশ্যে নতুন দিল্লীত উপস্থিত হৈছে পাকিস্তানৰ জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ সমন্বয় মন্ত্ৰী মুছাদ্দিক মাছুদ মালিক।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4726

দেশ

নিকট ৰক্ত-সম্পৰ্কীয় বিবাহ সন্দৰ্ভত আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা বিবেচনাৰ বাবে কেন্দ্ৰৰ জবাব বিচাৰিলে সৰ্বোচ্চ ন্যায়ালয়ে

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:১৬



নতুন দিল্লী, ২০ নৱেম্বৰ: নিকট ৰক্ত-সম্পৰ্কীয় লোকৰ মাজত হোৱা বিবাহ সন্দৰ্ভত উপযুক্ত আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা আছে নে নাই, সেয়া বিবেচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ জবাব বিচাৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। অৱশ্যে এনে বিবাহ নিয়ন্ত্ৰণৰ বাবে চৰকাৰক কোনো বাধ্যতামূলক নিৰ্দেশ নিদিয়ে বুলি স্পষ্ট কৰি দিছে শীৰ্ষ ন্যায়ালয়ে।

মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগচী, ভি. মোহানাক লৈ গঠিত বিচাৰপীঠখনে শুকুৰবাৰে আবেদনখনৰ শুনানি গ্ৰহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4679

উত্তৰ-পূৰ্বাঞ্চল

অমিত শ্বাহৰ অৰুণাচল ভ্ৰমণৰ পূৰ্বে মণিপুৰ সংকট, ছিয়াং প্ৰকল্পক লৈ যুৰ কংগ্ৰেছৰ প্ৰশ্ন

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৮



কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অৰুণাচল প্ৰদেশ ভ্ৰমণৰ পূৰ্বে মণিপুৰৰ সংকট আৰু প্ৰস্তাৱিত ছিয়াং উজনি বহুমুখী প্ৰকল্পক লৈ প্ৰশ্ন তুলিছে যুৰ কংগ্ৰেছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4611

অসম

ডিগবৈত যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত, জব্দ ১২খন ই-ৰিক্সা

বিজয় সূত্রধৰ | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫১



যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে ডিগবৈ আৰক্ষীয়ে। আজি ডিগবৈ আৰক্ষী থানাৰ অন্তর্গত এলেকাত অভিযান চলাই মুঠ ১২খন ই-ৰিক্সা জব্দ কৰে আৰক্ষীয়ে।

বৈধ ড্রাইভিং লাইচেন্স আৰু বাহনৰ বীমা অবিহনে ই-ৰিক্সা চলোৱাৰ লগতে ৰাষ্ট্রীয় ঘাইপথ ৩১৫ত প্রযোজ্য যান-বাহন নিয়ম উলংঘা কৰি চলাচল কৰাৰ অভিযোগত ই-ৰিক্সাকেইখন জব্দ কৰে আৰক্ষীয়ে।

জব্দকৃত বাহনকেইখন পৰৱর্তী আইনী ব্যৱস্থা গ্রহণৰ বাবে ডিগবৈ আৰক্ষী থানালৈ যায়।


ইফালে, ই-ৰিক্সাৰ চালক আৰু পৰিচালকসকলক সংগঠনৰ নেতৃবৃন্দৰ উপস্থিতিত যান-বাহন আইন আৰু ট্রেফিক নিয়ম কঠোৰভাৱে মানি চলিবলৈ সজাগ কৰাৰ লগতে নির্দেশনা প্রদান কৰে আৰক্ষীয়ে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/4646

অসম

গুৱাহাটীৰ মহানগৰীৰ কেইবাটাও অঞ্চলত আজি নাপাব পানী ! মেৰামতিৰ বাবে ব্যাহত খোৱাপানীৰ যোগান

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, পুৱা ১১:২৬



গুৱাহাটী, ২০ নৱেম্বৰ: কাৰিকৰী বিজুতি আৰু মেৰামতিৰ কামৰ বাবে শুকুৰবাৰে গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চলত খোৱাপানীৰ যোগান ব্যাহত হৈছে। দিনৰ প্রথমার্ধত ৰামছা পাহাৰ, লিচুবাগান, অমিয়ানগৰ আৰু গীতানগৰ অঞ্চলত পানী যোগান বন্ধ ৰখা হৈছে।

গুৱাহাটী মহানগৰ খোৱাপানী আৰু নলা-নর্দমা ব'র্ডৰ তথ্য অনুসৰি, সংশ্লিষ্ট জলাধাৰ অথবা পানী যোগান ব্যৱস্থাত দেখা দিয়া কাৰিকৰী বিজুতিৰ মেৰামতিৰ কাম চলি আছে। কাম সম্পূর্ণ হোৱাৰ পাছত পিছবেলাৰ পৰা পানী যোগান পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4607

অসম

মাতৃৰ সন্মুখৰ পৰাই দুষ্কৃতিকাৰীয়ে লৈ গল ৯ বছৰীয়া শিশুক!মহানগৰীৰ বামুনিমৈদামত চাঞ্চল্যকৰ ঘটনা

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:১২



গুৱাহাটী, ২০ নৱেম্বৰ:

নুনমাটিত ৯ বছৰীয়া কন্যাক অপহৰণৰ অভিযোগ, মাতৃৰ সন্মুখৰ পৰাই দুষ্কৃতিকাৰীয়ে লৈ গল ৯ বছৰীয়া শিশুক!মহানগৰীৰ বামুনিমৈদামত চাঞ্চল্যকৰ ঘটনা।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4676

অসম

শিৱসাগৰত মহন-দেওধাই-বাইলুং সন্মিলনৰ সংবাদমেল।

মোস্তাক আহমেদ | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৫



শিৱসাগৰস্থিত ঐক্যৰ কার্য্যালয়ত সংবাদমেল সম্বোধন কৰে মহন দেওধাই বাইলুং সন্মিলনৰ সভাপতি মনোৰঞ্জন বৰুৱা আৰু সম্বনয়ক হেমজিৎ দেওধাই ফুকনে।

শেহতীয়াকৈ মহন-দেওধাই-বাইলুং সকলৰ মৰাণৰ জজলিত অনুষ্ঠিত এখন অভিৱর্তনত টাই ম ' নামৰ এক সুকীয়া জাতি আৰু জনজাতিকৰণ সুকীয়াকৈ বিচাৰি প্ৰস্তাৱ গ্ৰহণ কৰা কার্য্যৰ পাছতেই সমগ্ৰ ৰাজ্যত বিতর্কৰ সৃষ্টি হৈছিল।

আনহাতে সেই অভিৱর্তনত বি জে পি সাংসদ যোগেন মহনৰ অংশগ্ৰহনে বিষয়টো অধিক জটিল কৰি তুলিছিল।

শেহতীয়া পৰিস্থিতি সন্দর্ভত স্থিতি স্পষ্ট কৰিছে মহন দেওধাই বাইলুং সন্মিলন।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4722

অসম

জুবিন গার্গৰ ৰেঞ্জ ৰ'ভাৰ ক্ৰয় কৰিছে আজাৰাৰ সোণমনি দাসে

শ্বাহ্ আলম | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:২০



জুবিন গার্গৰ অতিকৈ মৰমৰ ৰেঞ্জ ৰ'ভাৰ বাহনখন বিক্ৰী হোৱাৰ ঘটনাক লৈ সামাজিক মাধ্যমত চর্চা চলিছে। শিল্পীগৰাকীয়ে সপোনৰ বাহন বুলি উল্লেখ কৰা গাড়ীখন কোনে ক্ৰয় কৰিলে, তাক লৈ অনুৰাগীসকলৰ মাজত কৌতূহল সৃষ্টি হৈছিল।

খবৰ অনুসৰি, আজাৰাৰ সোণমনি দাস নামৰ এগৰাকী যুৱকে বাহনখন ক্ৰয় কৰিছে। গাড়ীখন ক্ৰয় কৰাৰ কাৰণ সন্দর্ভত সোণমনি দাসে কয়, "গাড়ী বুলি নহয়, দাদাক ভাল পাওঁ কাৰণে গাড়ীখন ক্ৰয় কৰিছোঁ।"

এএছ-০১-জিএ-৯৯৯৯ নম্বৰৰ এই ৰেঞ্জ ৰ'ভাৰ বাহনখন জুবিন গার্গে ক্ৰয় কৰিছিল। বিভিন্ন মঞ্চত তেওঁ বাহনখনক নিজৰ সপোনৰ গাড়ী বুলি উল্লেখ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4703

অসম

মুখ্যমন্ত্রীয়ে স্পষ্টীকৰণৰ দিয়ক, দাবী হেমজিত দেওধাই ফুকনৰ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:৪১



অসম: 'মু টাই' পৰিচয়ক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতর্কৰ মাজতে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ নাম জড়িত হোৱা সন্দর্ভত স্পষ্টীকৰণ বিচাৰিছে হেমজিত দেওধাই ফুকনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4698

দেশ

ৰোহিংগীয়াসকলৰ নিৰাপদ আৰু শীঘ্ৰে ম্যানমাৰলৈ প্ৰত্যাৱর্তনৰ পোষকতা ভাৰতৰ; ICJৰ ৰায়ৰ পাছতে স্থিতি স্পষ্ট নতুন দিল্লীৰ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:১৫



ৰোহিংগীয়া শৰণার্থীসকলৰ নিৰাপদ, শীঘ্ৰ আৰু স্থায়ীভাৱে ম্যানমাৰলৈ প্ৰত্যাৱর্তনৰ ক্ষেত্ৰত ভাৰতৰ সমর্থন পুনৰ স্পষ্ট কৰিছে কেন্দ্ৰীয় চৰকাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4699

দেশ

স্পাইচজেটলৈ ডিজিচিএৰ কাৰণ দর্শোৱাৰ জাননী, বিমান বাতিল আৰু পৰিচালনাগত বিসংগতিক লৈ সাত দিনৰ ভিতৰত বিচাৰিলে উত্তৰ

শাহ আলম | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৮



নতুন দিল্লী, ২০ নৱেম্বৰ: ধাৰাবাহিকভাৱে বিমান বাতিল, উৰণত বিলম্ব আৰু বিভিন্ন পৰিচালনাগত বিসংগতিৰ অভিযোগত স্পাইচজেটলৈ কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে। ১৭ নৱেম্বৰত জাৰি কৰা জাননীৰ উত্তৰ সাত দিনৰ ভিতৰত দাখিল কৰিবলৈ বিমান সংস্থাটোক নির্দেশ দিয়া হৈছে।

সঞ্চালকালয়ৰ অভিযোগ, অনুমোদিত উৰণসূচী মানি চলাত ব্যর্থ হৈছে স্পাইচজেট। সময়মতে উৰণৰ হাৰ হ্রাস, বিমান বিলম্ব আৰু ক্রমাগতভাৱে বৃদ্ধি পোৱা বাতিলৰ ঘটনাই যাত্রীসকলক অসুবিধাত পেলাইছে। যাত্রীসকলক প্রয়োজনীয় সুবিধা প্রদানৰ ক্ষেত্রতো ত্রুটি ধৰা পৰিছে বুলি জাননীত কোৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4690

অসম

বিদেশত ভাৰতবিৰোধী মন্তব্যৰ অভিযোগত ৰাহুলক বিজেপিৰ সমালোচনা

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, আবেলি ৪:১৭



বিদেশত ভাৰতৰ গণতন্ত্র আৰু অর্থনীতিৰ বিৰুদ্ধে মন্তব্য কৰাৰ অভিযোগ তুলি কংগ্রেছ নেতা ৰাহুল গান্ধীক তীব্র সমালোচনা কৰিছে বিজেপিৰ ৰাষ্ট্রীয় মুখপাত্র প্রদীপ ভাণ্ডাৰীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4682

দেশ

যোগী আদিত্যনাথৰ মাতৃ সাবিত্রী দেৱীৰ দেহাৱসান

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



পৌৰী গাড়োৱাল, ২০ নৱেম্বৰ:

৯১ বছৰ বয়সত যোগী আদিত্যনাথৰ মাতৃৰ বিয়োগ।দিবংগত আত্মাৰ সদ্গতি কামনাৰে শ্রদ্ধাঞ্জলি জ্ঞাপন।

উত্তৰপ্রদেশৰ মুখ্যমন্ত্রী যোগী আদিত্যনাথৰ মাতৃ সাবিত্রী দেৱীৰ ৯১ বছৰ বয়সত মৃত্যু হৈছে। শুকুৰবাৰে পুৱা উত্তৰাখণ্ডৰ পৌৰী গাড়োৱাল জিলাৰ পাঞ্চুৰ গাঁৱত থকা পৈতৃক বাসগৃহত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

সাবিত্রী দেৱী বিগত কেইবামাহ ধৰি বার্ধক্যজনিত অসুস্থতাত ভুগি আছিল। তেওঁৰ বিয়োগৰ খবৰ বিয়পি পৰাৰ পাছতে বিভিন্ন ৰাজনৈতিক নেতাই শোক প্রকাশ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4663

ক্রীড়া

ইণ্ডিয়ান অইল চার্ভো মাষ্টাৰছতো ওম প্রকাশ চৌহান আৰু ৰনিল কুকাৰৰ সৈতে যৌথ অগ্রগতি লাভ যুৱৰাজ সিঙৰ

বিজয় সূত্রধৰ | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৮



কাপুৰথালাৰ যুৱৰাজ সিং, মহৌৰ ওম প্রকাশ চৌহান আৰু বেংগালুৰুৰ ৰনিল কুকাৰে ২৬ সংখ্যক ইণ্ডিয়ান অইল চার্ভো মাষ্টাৰছ গলফ প্রতিযোগিতাৰ তৃতীয় ৰাউণ্ডৰ অন্তত সম স্ক'ৰেৰে সমতা স্থাপন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4642

অসম

বাংলাদেশত পুনৰ অশান্তি! ১২খন জিলাত হিংসাত্মক ঘটনা, চাৰিজনৰ মৃত্যু; বৈদেশিক মন্ত্রীৰ বাসগৃহত অগ্নিসংযোগ

NewzNow ডেস্ক | ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩০



ঢাকা, ২০ নৱেম্বৰঃ বাংলাদেশত পুনৰ বৃদ্ধি পাইছে ৰাজনৈতিক হিংসা আৰু অস্থিৰতা। দেশখনৰ কমেও ১২খন জিলাত বিগত কেইবাদিনো ধৰি সংঘটিত হৈছে অগ্নিসংযোগ, বোমা বিস্ফোৰণ, পথ অৱৰোধ আৰু ৰাজনৈতিক সংঘৰ্ষৰ ঘটনা। ১৪ৰ পৰা ১৯ নৱেম্বৰৰ ভিতৰত সংঘটিত এই হিংসাত্মক ঘটনাসমূহত কমেও চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো আহত হৈছে বুলি প্রকাশ পাইছে।

১২খন জিলাত হিংসাত্মক ঘটনা

'নেশ্যনেল হেৰাল্ড'ৰ প্রতিবেদন অনুসৰি, বাংলাদেশৰ বিভিন্ন স্থানত ৰাজনৈতিক নেতাৰ বাসগৃহ, আৰক্ষী থানা, চৰকাৰী কার্যালয়, যান-বাহন, বিত্তীয় প্রতিষ্ঠান আৰু শিক্ষানুষ্ঠানক লক্ষ্য কৰি আক্রমণ সংঘটিত হৈছে। আৱামী লীগৰ নেতা আৰু দলটোৰ সৈতে সম্পর্ক থকা ব্যক্তিসকলৰ কেইবাটাও বাসগৃহত লুটপাত আৰু অগ্নিসংযোগৰ ঘটনা সংঘটিত হৈছে।

বাংলাদেশ আৰক্ষী মুখ্য কার্যালয়ৰ তথ্য অনুসৰি, ৭ৰ পৰা ১৮ নৱেম্বৰৰ ভিতৰত দেশৰ বিভিন্ন স্থানত ৭৪খন বাহন জ্বলাই দিয়া হৈছে আৰু ৭৮টা স্থানত বোমা বিস্ফোৰণ সংঘটিত হৈছে। অগ্নিসংযোগ কৰা বাহনসমূহৰ ভিতৰত ১৮খন আৰক্ষীৰ বাহনো আছে। আৰক্ষীৰ তিনিটা প্রতিষ্ঠানত অগ্নিসংযোগ বা লণ্ডভণ্ডৰ ঘটনা সংঘটিত হোৱাৰ লগতে দুটা স্থানত বিস্ফোৰণৰ তথ্যও প্রকাশ পাইছে।

প্রাক্তন উপাধ্যক্ষৰ বাসগৃহত লণ্ডভণ্ড

ইফালে, পাবনা জিলাৰ বেৰাত বাংলাদেশ নেচনেলিষ্ট পার্টি (BNP) আৰু নিষিদ্ধ আৱামী লীগৰ কর্মী-সমর্থকৰ মাজত সংঘৰ্ষৰ ঘটনা সংঘটিত হৈছে। স্থানীয় সংবাদ মাধ্যমৰ প্রতিবেদন অনুসৰি, আৱামী লীগৰ সমর্থকে হঠাতে প্রতিবাদী সমদল উলিয়াই বেৰা মডেল আৰক্ষী থানাৰ দিশে আগবাঢ়িছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4634

এই সংখ্যাত

১ ৰোহিংগীয়া গণহত্যাৰ বাবে ম্যানমাৰক দোষী সাব্যস্ত ICJৰ; ক্ষতিপূৰণ আৰু নিৰাপদ প্রত্যাৱর্তনৰ নির্দেশ

১ আপোনাৰ পু�ৰাৰ চাহৰ আগতেই সুতত ৩৩ কোটি! প্রতি মিনিটত ২.৩৫ লাখ টকা সুত দিয়ে অসমে

১ বিয়াৰ ভোজত মাংসৰ টুকুৰাক লৈ মহাৰণ! দৰা-কইনা পক্ষৰ মাজত প্রচণ্ড মাৰপিট

১ বেজৰ নাকতে খৰ! শিৱসাগৰত নথিৰ ম্যাদ উকলা আৰক্ষী-দণ্ডাধীশৰ বাহন; সদৰ থানাত অধিবক্তাৰ গোচৰ

১ টাই ম'ৰ সুকীয়া পৰিচয়ৰ দাবীক সমর্থন নকৰো: মহন-দেওধাই-বাইলুং সন্মিলন

২ স্নাতকোত্তৰ প্রশিক্ষার্থী চিকিৎসকক বিবাহ পিছু�ৰাবলৈ কোৱা এএমচিএইচৰ পৰামর্শ প্রত্যাহাৰ

২ চানডুবি উৎসৱৰ লাইখুঁটা স্থাপন কামৰূপ জিলা আয়ুক্তৰ

২ প্রাক্তন স্বামীৰ মানহানিৰ গোচৰত মেৰী কমলৈ আদালতৰ জাননী

২ 'নামটো ছিৰাজ, সেয়াই জানো যথেষ্ট নহয়?' মহম্মদ ছিৰাজক দলত স্থান নিদিয়াক লৈ কংগ্রেছ-বিজেপিৰ ৰাজনৈতিক বাকযুদ্ধ

৩ বেংগালুৰুত ২২ দিন ধৰি সন্ধানহীন হাউলীৰ গৱেষক ছাত্র নন্দলাল ঘোষ

৩ দিল্লীত AAP যুৱ মর্চাৰ জিলা সভাপতিৰ কার্যালয়ত দুর্বৃত্তৰ গুলীচালনা

৩ ২০২৭ চনৰ আৰম্ভণিতে ইৰাণত আক্রমণৰ সিদ্ধান্ত ল'ব ট্রাম্পে!

৪ হৰমুজ প্রণালীৰ পশ্চিমত ৯খন ভাৰতীয় স্বার্থসম্পৃক্ত জাহাজৰ নিৰাপত্তা পর্যালোচনা সোণোৱালৰ

৪ ৰায়বেৰেলী ঘাইপথত দুর্ঘটনা, ২০ বছৰীয়া যুৱতীৰ মৃত্যু

৫ ডিগবৈৰ ৰাজপথত গৰাকীবিহিন চাৰিটা ঘোঁৰা। আটাইকেইটা ঘোঁৰা গুৰুতৰভাৱে আঘাত প্রাপ্ত

৫ দিল্লীত উপস্থিত পাকিস্তানৰ মন্ত্রী মুছাদ্দিক মালিক, নাপালে তাজমহল ভ্রমণৰ অনুমতি

৫ নিকট ৰক্ত-সম্পর্কীয় বিবাহ সন্দর্ভত আইন প্রণয়নৰ প্রয়োজনীয়তা বিবেচনাৰ বাবে কেন্দ্রৰ জবাব বিচাৰিলে সর্বোচ্চ ন্যায়ালয়ে

৫ অমিত শ্বাহৰ অৰুণাচল ভ্রমণৰ পূর্বে মণিপুৰ সংকট, ছিয়াং প্রকল্পক লৈ যুৱ কংগ্রেছৰ প্রশ্ন

৬ ডিগবৈত যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত, জব্দ ১২খন ই-ৰিক্সা

৬ গুৱাহাটীৰ মহানগৰীৰ কেইবাটাও অঞ্চলত আজি নাপাব পানী ! মেৰামতিৰ বাবে ব্যাহত খোৱাপানীৰ যোগান

৬ মাতৃৰ সন্মুখৰ পৰাই দুষ্কৃতিকাৰীয়ে লৈ গল ৯ বছৰীয়া শিশুক!মহানগৰীৰ বামুনিমৈদামত চাঞ্চল্যকৰ ঘটনা

৭ শিৱসাগৰত মহন-দেওধাই-বাইলুং সন্মিলনৰ সংবাদমেল।

৭ মুখ্যমন্ত্রীয়ে স্পষ্টীকৰণৰ দিয়ক, দাবী হেমজিত দেওধাই ফুকনৰ

৭ জুবিন গার্গৰ ৰেঞ্জ ৰ'ভাৰ ক্রয় কৰিছে আজাৰাৰ সোণমনি দাসে

আৰু ৬টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen